**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 21-03-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

অসম মন্ত্ৰীসভাই নামৰূপৰ ইউৰিয়া প্ৰকল্পত অসম চৰকাৰৰ অংশীদাৰিত্ব ৪০ শতাংশ কৰাত অনুমোদন দিছে। অহা ছেপ্তেম্বৰ-অক্টোবৰ মাহত এই প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আমন্ত্ৰণ জনাবলৈকো অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণ জনগোষ্ঠীৰ লোকসকলক স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ প্ৰদানৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনত কৰ্মৰত নাৰ্চসকলৰ বয়সৰ উৰ্দ্ধসীমাৰ ব্যৱস্থা বাতিল কৰিবলৈকো অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। এইবাৰৰ ৰাজ্যিক বাজেটত প্ৰস্তাৱ কৰা ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানক ডিগ্ৰী প্ৰতিষ্ঠানলৈ উন্নীত কৰাৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। আজিৰ বৈঠকে গোৱালপাৰা অসামৰিক চিকিৎসালয়খনক ছহীদ নিধানুৰাম ৰাজবংশী চিকিৎসালয় হিচাপে নামকৰণ কৰিবলৈও সিদ্ধান্ত লয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তসমূহৰ বিষয়ে প্ৰকাশ কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ আজি পিছবেলা হ'বলগীয়া গণিত বিষয়ৰ পৰীক্ষা অনিবাৰ্য কাৰণবশত পিছুৱাই দিয়া হৈছে। শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰকে জনোৱা মতে এই বিষয়ৰ পৰীক্ষাৰ দিন পাছত ঘোষণা কৰা হ'ব। পৰিষদৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক জনোৱা মতে এটা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত ফাদিল হোৱাৰ বিষয়ে সন্দেহ পোৱাৰ পৰিপ্ৰেক্ষিতত জৰুৰীভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সকলোবোৰ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক এই পৰীক্ষাৰ বাবে মনোনীত মূল মহাবিদ্যালয়ত কালিৰ ভিতৰত গণিত বিষয়ৰ প্ৰশ্নকাকতৰ টোপোলাসমূহ জমা দিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে বুলিও পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ডিব্ৰুগড় বিধানসভা সমষ্টিত ৰূপায়িত বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ইতিপূৰ্বে অসম মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা ডিব্ৰুগড়-কেন্দ্ৰিক সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে কালিৰ বৈঠকত পৰ্যালোচনা কৰে। ড০ শৰ্মাই মানকাটা পথত ৰে'লৰে উৰণ সেতু, পল্টন বজাৰ হৈ গ্ৰাহাম বজাৰৰ পৰা অতিথিশালালৈ পথৰ উন্নয়ন সাধন, অসম চিকিৎসা মহাবিদ্যালয়ত বহুমহলীয়া কৰ্মচাৰী আৱাসগৃহ আদি বিষয়সমূহ আলোচনা কৰি নিৰ্ধাৰিত সময়ত কামসমূহ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালে মেডিকেল কলেজ ৰিছাৰ্চ কানেক্ট নামৰ সংস্থাৰ দ্বাৰা চলোৱা গৱেষণাত একেৰাহে দ্বিতীয় বছৰৰ বাবে চিকিৎসা গৱেষণাৰ ক্ষেত্ৰত দেশৰ ভিতৰত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী মহাবিদ্যালয় হিচাপে সন্মানিত হৈছে। কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত চিকিৎসা মহাবিদ্যালয়খনক এই সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে এই সন্মান গ্ৰহণ কৰে। অনুষ্ঠানত নীতি আয়োগৰ সদস্য, প্ৰখ্যাত চিকিৎসক ডাঃ ভি কে পল, ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি এন গংগাধৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্মান লাভ কৰাৰ বাবে চিকিৎসা প্ৰতিষ্ঠানটোৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

অসম সাহিত্য সভাই নিজাববীয়াকৈ এখন প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত কালি অনুষ্ঠিত এখন সভাত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এই কথা সদৰি কৰে। অসমীয়া ভাষা শিক্ষণ, সাধুকথা কথন শীৰ্ষক এটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে শিশুসকলক অসমীয়া ভাষাটো শুদ্ধকৈ ক'বলৈ, লিখিবলৈ আৰু পঢ়িবলৈ উদগনি যোগাবলৈ এই বিদ্যালয়খন খোলা হ'ব বুলি মন্তব্য কৰে। কালি বিশ্ব সাধুকথা কোৱা দিৱসৰ অংশ হিচাপে অনুষ্ঠিত কাৰ্যসূচীটোত ড০ গোস্বামীয়ে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষা কৰিবলৈ সভাই অন্যান্য কাৰ্যসূচীও গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা আৰু অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড০ জ্যোতিৰেখা হাজৰিকাই অসমীয়া ভাষা কথন আৰু উচ্চাৰণত বিশেষ গুৰুত্ব দি এলানি প্ৰশিক্ষণ কাৰ্যসূচী বিদ্যালয়সমূহত আয়োজন কৰাৰ পোষকতা কৰে।

০০০০০

বিশ্ব ঘৰচিৰিকা দিৱসৰ লগত সংগতি ৰাখি অসম কৃষি বিশ্ববিদ্যালয় লখিমপুৰত থকা মাণ্ডলীক কৃষি গৱেষণা কেন্দ্ৰৰ উদ্যোগত কালি থলুৱা পক্ষী সংৰক্ষণ বিষয়ক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰকৃতি সংৰক্ষণ আৰু গ্ৰাম্য পৰ্যটন ক্ষেত্ৰত কাম কৰি থকা এটা স্বেচ্ছসেৱী অনুষ্ঠানৰ সহযোগত আয়োজিত কালি কাৰ্যসূচীত অসম গৌৰৱ সন্মানেৰে বিভূষিত প্ৰকৃতিপ্ৰেমী সৌম্যদ্বীপ দত্ত আৰু ফুলেশ্বৰী দত্তকে ধৰি ভালে সংখ্যক প্ৰকৃতিপ্ৰেমী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সৌম্যদ্বীপ দত্তই কেৱল ঘৰচিৰিকাৰে নহয় সকলো থলুৱা পক্ষী সংৰক্ষণত গুৰুত্ব দিবলৈ ভাষণ প্ৰসংগত সকলোকে আহ্বান কৰে। শগুণ ৰক্ষাৰ হকে দুই দশকৰো অধিক কাল নিৰৱচ্ছিন্নভাৱে কাম কৰি অহা ফুলেশ্বৰী দত্তই জৈৱ বৈচিত্ৰ্যৰ ক্ষমতা ৰক্ষা কৰিবলৈ চৰাই-চিৰিকতিৰ গুৰুত্ব আছে বুলি মন্তব্য কৰে।

০০০০০

সমাপ্ত